## 5 SEM TDC ASMH (CBCS) C 12

**2025**

( Nov/Dec )

ASSAMESE

( Core )

Paper : C–12

**( Studies on Assamese Linguistics )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

১। চমু উত্তৰ দিয়াঁ : ১×৫=৫

(ক) 'অসমীয়া বৰ্ণ প্ৰকাশ' গ্ৰন্থখনৰ লেখক কোন?

(খ) নাৰিকল > নাইৰকল—ইয়াত ধ্বনি পৰিৱৰ্তনৰ কি নিয়ম প্ৰযোজ্য হৈছে?

(গ) 'স্পেক্টোগ্ৰাফ' কি?

(ঘ) "ভাষাৰ অঙ্গবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধৰূপবোৰৰ আলোচনাই হৈছে ৰূপতত্ত্ব।" উক্তিটো কাৰ?

(ঙ) দুটা মৌলিক শব্দৰ যোগত সৃষ্টি হোৱা এটা সংযুক্ত শব্দ লিখাঁ।

২। (ক) বাগিন্দ্ৰিয় বুলিলে কি বুজা ? বাগিন্দ্ৰিয়ৰ এটা চিত্ৰ অংকন কৰি ইয়াৰ অন্তৰ্গত অঙ্গসমূহৰ চমু পৰিচয় দাঙি ধৰা । ৩+১২=১৫

*অথবা*

(খ) ধ্বনি, বৰ্ণ আৰু উপধ্বনি বুলিলে কি বুজা ? তিনিওটাৰে মাজত থকা পাৰ্থক্য আৰু সম্পৰ্ক বিচাৰ কৰি এটি আলোচনা যুগুত কৰা । ৩+১২=১৫

৩। (ক) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰি প্ৰতিটো বৰ্ণৰ অভিন্ন পৰিৱেশত আদি আৰু মধ্য অৱস্থানত বিৰোধ বিচাৰ কৰি দেখুওৱা । ৫+৫+৫=১৫

*অথবা*

(খ) চমু টোকা লিখা : ৫×৩=১৫

(১) স্বৰসংযুতি

(২) শ্বাসাঘাত

(৩) সুৰলহৰ

৪। (ক) ৰূপতত্ত্বই সামৰি লোৱা সকলো দিশ উল্লেখ কৰি এটি আলোচনা যুগুত কৰা । ১৫

*অথবা*

(খ) অসমীয়া ভাষাত ব্যৱহৃত প্ৰাকৃতিবোৰক গঠন অনুসৰি কেইভাগত ভাগ কৰা হৈছে, প্ৰতিটো ভাগৰে পৰিচয় প্ৰদান কৰি এটি আলোচনা আগবঢ়োৱা । ১৫





৫। (ক) অসমীয়া ভাষাৰ ক্ৰিয়াৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা । ১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দসাধন সম্পৰ্কে এটি আলোচনা যুগুত কৰা ।

৬। (ক) খণ্ডবাক্য গঠনৰ নিয়ম অনুসৰি অসমীয়া ভাষাৰ বাক্যৰ বিশ্লেষণ সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা । ১৫

*অথবা*

(খ) চমু টোকা লিখা : ৫×৩=১৫

(১) বাক্যৰ অৰ্থগত যোগ্যতা

(২) জটিল বাক্য

(৩) বাচ্য অনুসৰি বাক্যৰ প্ৰকাৰ

★★★